**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-10-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

এগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হয়। আজি দিনৰ এঘাৰ বজাত গুৱাহাটীৰ ৰাজভৱনত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বি পি এফ দলৰ চৰণ বড়োক কেবিনেট মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এন ডি এ বিকশিত অসমৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। বড়োভূমিৰ শান্তি, প্ৰগতি আৰু সমাজৰ সকলো শ্ৰেণীৰ সমন্বয়ৰ বাবে সকলোৰে লগলাগি চেষ্টা চলাই যাব। তাৰ বাবে অতি সোনকালে বিটিচিৰ পাৰিষদসকলৰ সৈতে ৰাজ্য চৰকাৰৰ বৈঠক হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**ৰাইট (চি এম)**

উল্লেখযোগ্য যে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ দলে সদ্যসমাপ্ত বিটিচি নিৰ্বাচনত অভূতপূৰ্ব সফলতা লাভ কৰাৰ পাছত দলটো শাসনাধিস্থিত এন ডি এ মৰ্চাত যোগ দিয়া সন্দৰ্ভত প্ৰচুৰ সম্ভাৱনাৰ সৃষ্টি হৈছিল। পৰৱৰ্তী বিধানসভা নিৰ্বাচনলৈ ছমাহতকৈ কম সময় বাকী থকা অৱস্থাত অসম মন্ত্ৰীসভাৰ আজিৰ এই সম্প্ৰসাৰণ ৰাজনৈতিকভাৱে বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০

আজি কাতি বিহু। অসমৰ কৃষিজীৱি ৰাইজে আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি কাতি বিহু পৰম্পৰাগত ৰীতি নীতিৰে পালন কৰা হৈছে। এই উপলক্ষে চোতালত তুলসী ৰুই তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে পথাৰত বন্তি জ্বলাই বছৰটোৰ বাবে শইচ নদন বদন হোৱাৰ কামনা কৰা হৈছে। ঠায়ে ঠায়ে আকাশবন্তিও জ্বলোৱা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে তুলসী তলৰ বন্তিগছিয়ে সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে কৃষকৰ আশাৰ ধাননিডৰা সোণগুটিৰে উপচি পৰি ঘৰে ঘৰে লখিমীৰ বসতি হোৱাৰ কামনা কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালন কৰা হৈছে। গোৱালপাৰা জিলাতো কৃষকসকলে শস্য নদন বদন হোৱাৰ সকামনাৰে পথাৰত বন্তি জ্বলাইছে। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ে জিলাখনত আগিয়াৰ বাপুপাৰা গাওঁত কাতি বিহু পালনৰ লগতে বিভাগীয় আঁচনি সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত কৰিছে।

কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ প্ৰতিটো কৃষি মহকুমাত কাতি বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি বিভাগৰ উদ্যোগত প্ৰগতিশীল কৃষকক সম্বৰ্ধনা, আকাশবন্তি প্ৰজ্বলন, সজাগতা সভা তথা বিভাগীয় আঁচনি সন্দৰ্ভত আলোচনা আৰু কৃষি সামগ্ৰী/কৃষি সঁজুলি আদিও বিতৰণ কৰা হয়।

০০০০

বাক্সা জিলাৰ নিকাছিৰ হিংসাত্মক ঘটনাৰ সৈতে জড়িত আৰু ৫ জনক গ্ৰেপ্তাৰ কৰা হৈছে। এই ৫ জনৰ সৈতে এতিয়ালৈ ৯ জনক গ্ৰেপ্তাৰ কৰা হৈছে। বাক্সা জিলাৰ আৰক্ষী অধীক্ষকে এই বিষয়ে সংবাদ মাধ্যমৰ আগত কয়, যে জুবিন গাৰ্গৰ অনুৰাগী বুলি সুযোগ লৈ যিটো দুষ্টচক্ৰই হিংসাত্মক ঘটনা সংঘটিত কৰিলে সেই চক্ৰটোৰ আটাইকে এজন এজনকৈ চিনাক্ত কৰা হৈছে আৰু অতিশীঘ্ৰেই বাকী থকা কেইজনকো গ্ৰেপ্তাৰ কৰা হ'ব। এই ক্ষেত্ৰত স্থানীয় লোকেও আৰক্ষীক সহায় কৰিছে। আৰক্ষীৰ বাহনত অগ্নিসংযোগ তথা শিল দলিওৱাৰ অভিযোগত বাক্সা আৰক্ষী গ্ৰেপ্তাৰ কৰা লোককেইজন হ'ল- ৰাচিম আলী, চাৰুক আলী, নৰৰাজ গৌতম, বিদ্যুৎ চেত্ৰী, নচিবুৰ ৰহমান, কাদেৰ আলী, ৰমিজ আলী, আহেলা মিঞা আৰু ছুলেমন আলী। গ্ৰেপ্তাৰ কৰা লোককেইজনৰ মাজত পূৰ্বৰ দাগী অপৰাধীও আছে বুলি বাক্সা জিলাৰ আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০

আমিনগাঁৱত চলি থকা বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি ত্ৰয়োদশ দিনত একক ছোৱালী শাখাৰ দ্বিতীয়খন ছেমি ফাইনেলত ভাৰতৰ তনভী শৰ্মাই জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছে। তনভী শৰ্মাই চীনৰ লিউ ছি য়াক ১৫-১১, ১৫-৯ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা তনভী শৰ্মা হৈছে পঞ্চমগৰাকী ভাৰতীয় শ্বাটলাৰ। ইয়াৰ পূৰ্বে ভাৰতৰ অপৰ্ণা প'পাটে ১৯৯৬ত, ২০০৬ আৰু ২০০৮ত চাইনা নেহৱাল, ২০১৫ চনত ছিৰিল বাৰ্মা আৰু ২০২২ চনত শংকৰ মুথুস্বামীয়ে বিশ্ব জুনিয়ৰ বেডমিণ্টনৰ ফাইনেলত প্ৰৱেশ কৰিছিল। ১৬ বছৰীয়া তনভী শৰ্মাই কাইলৈ থাইলেণ্ডৰ শ্বাটলাৰৰ সন্মুখীন হ'ব।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰববী অধ্যাপক ড° শিৱনাথ শৰ্মাৰ দীৰ্ঘদিন অসুস্থতাৰ পাছত কালি নতুন দিল্লীত দেহাৰসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ